Total No. of Printed Pages—11

**B24–AS**

**Subject Code : 01**

**2024**

315477

## ASSAMESE

( Modern Indian Language )

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP—A** (বিভাগ—ক) আৰু **GROUP—B** (বিভাগ—খ)-ৰ উত্তৰ কৰিব লাগিব ।

অথবা

**GROUP—A** (বিভাগ—ক) আৰু **GROUP—C** (বিভাগ—গ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব ।

## GROUP—A

( বিভাগ—ক )

( *মূল্যাংক* : ৭৫ )

১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) এজন উদ্যোগী অৰ্থাৎ আন্ট্ৰাপিনিওৰ আৰু কৰ্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্ৰ ব্যৱধান কি?

(খ) অজন্তাৰ ছবিবোৰত প্ৰকাশ পোৱা ভাববস্তু দুটা কি কি?

২। চমু উত্তৰ লিখা (যিকোনো দুটা) : ২×২=৪

(ক) এজন সফল উদ্যোগী হ'বলৈ কি কি গুণৰ প্ৰয়োজন?

(খ) আৰ্টৰ বিপৰীত পন্থা দুটা কি কি?

(গ) চাহ উদ্যোগৰ কৰ্মীসকল কোন? তেওঁলোক ক'ৰ ক'ৰ পৰা অসমলৈ আহিছিল?

৩। উত্তৰ লিখা : ৪

(ক) "উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান।" শিক্ষকগৰাকীয়ে কিয় এইদৰে ক'লে, পাঠৰ সহায়ত বুজাই লিখা।

*নাইবা*

(খ) "বিশেষ এটা ঔদ্যোগিক আবেষ্টনীৰ মাজত বসবাস কৰিবলৈ লোৱা কাৰণেও থলুৱা সংস্কৃতিৰ পৰা আঁতৰিও পৰিল।" ইয়াত কি ঔদ্যোগিক আবেষ্টনীৰ কথা উল্লেখ কৰিছে আৰু কোনে, কিহৰ বাবে আঁতৰি পৰাৰ কথা কৈছে—পাঠৰ আলমত বুজাই লিখা।

৪। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) কুঁৱলীৰ অন্তৰংগ বান্ধৱীগৰাকীৰ নাম কি?

(খ) হস্পিতালৰ বিছনাত শুই থাকোঁতে অৰুণিমাৰ মনত কি সপোনে তীব্ৰ ৰূপ লৈছিল?

৫। চমু উত্তৰ লিখা : ২

"ইমানখিনিলৈ আহি আৰু উভতি যোৱাৰ প্ৰশ্ন নুঠে। যি হয় দেখা যাব।"

কথাষাৰৰ বক্তা কোন? কাক উদ্দেশ্য কৰি বক্তাই কিয় কথাষাৰ কৈছিল?

৬। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) "এটা কথাই কুঁৱলীৰ মনত শংকাৰ সৃষ্টি কৰিলে।" কি কথাই কুঁৱলীৰ মনত শংকাৰ সৃষ্টি কৰিলে, পাঠটোৰ আধাৰত বুজাই লিখা।

(খ) অৰুণিমা সিন্‌হাৰ এভাৰেষ্ট অভিযানৰ বৰ্ণনা দিয়া।

৭। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) অৰণ্য যাত্ৰাৰ দলটোৰ দলপতি হিচাপে কাক দায়িত্ব দিয়া হৈছিল?

(খ) ইৰাণে কেতিয়া ইছলামিক গণতন্ত্ৰ হিচাপে স্বীকৃতি লাভ কৰে?

৮। চমু উত্তৰ লিখা : ২

প্ৰকৃতিৰ কোনবোৰ সুন্দৰ নিয়মে পাহিক আকৃষ্ট কৰে?

৯। (ক) "অ' বাইদেউহঁত আমাক বচোৱা বচোৱা।" কোনে, কাক বাইদেউহঁত বুলি সম্বোধন কৰি বচাবলৈ কিয় অনুৰোধ কৰিছিল? ৩

*নাইবা*

(খ) শ্বিৰীণ ইবাডি কোন? তেওঁৰ সংগ্ৰামৰ বিষয়ে পাঠ্যপুথিৰ সহায়ত লিখা।

১০। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) মাধৱদেৱৰ বৰগীতটোৰ মাজেৰে কি ভক্তিৰ ভাব প্ৰকাশ পাইছে?

(খ) "আচমানৰ কুটুব তৰা আদমৰ জাত।" ইয়াত আদম কোন?

১১। চমু উত্তৰ লিখা : ২×২=৪

(ক) মাধৱদেৱ ৰচিত ঝুমুৰাসমূহৰ নাম লিখা।

(খ) 'জিকিৰ' কবিতাটোৰ কবি আজান ফকিৰৰ চমু পৰিচয় দিয়া।

১২। "সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাক বিচাৰি নপায়॥"

ইয়াত কবিয়ে কি প্ৰসংগত, কাৰ বিষয়ে, কিয় এনেদৰে কৈছে, চমুকৈ লিখা। ৩

১৩। তলৰ যিকোনো এটাৰ অতি চমু উত্তৰ লিখা : ১

(ক) প্ৰকৃতিক কোনে সাদৰি আনিলে বুলি কবিয়ে কৈছে?

(খ) অসমৰ হেংদাং ক'ত জিলিকিছিল?

(গ) নিজৰ ঘৰ বিচাৰি নোপোৱা মানুহজন কি আছিল?

১৪। তলৰ যিকোনো দুটাৰ চমু উত্তৰ লিখা : ২×২=৪

(ক) "উঠাহে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,
উঠা যত মুক্তি পথযাত্ৰী।"

কবিয়ে কিয় এনেদৰে আহ্বান জনাইছে, বুজাই লিখা।

(খ) কবিয়ে কিয় মৰাৰ পাছতো পুনৰ অসমতে জনম ল'ম বুলি ভাবিছে, বুজাই লিখা।

(গ) "এই কংক্ৰীটৰ হাবিখনত তেওঁক
বিচাৰি নাপালো আৰু।"

কোনে, কাক বিচাৰি নাপালে? বিচাৰি নোপোৱাৰ কাৰণ কি?

১৫। উত্তৰ লিখা : ৪

(ক) 'প্ৰশস্তি' কবিতাটোত প্ৰকৃতিৰ সুধাৰ মাজত কিদৰে সুন্দৰৰ সাধনা লুকাই আছে বিৱৰি লিখা।

*নাইবা*

(খ) 'মই অসমীয়া' কবিতাটোৰ সাৰাংশ লিখা।

১৬। (ক) তলৰ যিকোনো এটাৰ ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১

পঞ্চনদ ; কীটপতঙ্গ ; বনভোজ।

(খ) তলৰ যিকোনো এটা শব্দৰ সন্ধি ভাঙা : ১

ইত্যাদি ; উল্লেখ ; সংহাৰ।

(গ) তলত দিয়া বাক্যটি মিশ্র বাক্যলৈ পৰিৱৰ্তন কৰা : ১

মিছা কোৱাজনক সকলোৱে বেয়া পায়।

(ঘ) তলত দিয়া যিকোনো এটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

উত্তৰায়ণ ; কণ্টক ; সুষমা।

(ঙ) যথা স্থানত যতি চিহ্ন বহুওৱা : ১

দেউতাকে ছোৱালীজনীক সুধিলে আজি তুমি কি কৰিবা

(চ) তলৰ যিকোনো এটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ এটি বাক্য-ৰচনা কৰা : ১

গাখীৰতে ম'হৰ খুটি ; টুপাই বুৰমাৰ ; দূৰতে বিদূৰ হ।

(ছ) তলৰ যিকোনো এটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

বিস্তৃত ; সুখ্যাতি ; সুকৰ।

(জ) এটা শব্দত প্ৰকাশ কৰা (যিকোনো এটা) : ১

যি আগেয়ে হোৱা নাই ; গড়ৈ মাছৰ সৰু সৰু পোৱালি ; আনৰ দোষ দেখা স্বভাৱ।

(ঝ) তলত দিয়া যিকোনো এটা শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা : ১

কলপতীয়া ; লাজুৰা ; মৰমিয়াল।

(ঞ) তলৰ যিকোনো এটাৰ সমাৰ্থক শব্দ লিখা : ১

নবীন ; বিপদ ; কটকী।

১৭। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব-সম্প্ৰসাৰণ কৰা :

চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।

(খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ খেলা-ধূলাৰ কাৰণে খেলৰ অধিক সামগ্ৰী বিচাৰি তুমি খেল বিভাগৰ সম্পাদক হিচাপে বিদ্যালয় প্ৰধানলৈ এখন আবেদনপত্ৰ লিখা।
(আবেদনত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা)

(গ) তোমাৰ অঞ্চলত বানপানীৰ বাবে বিদ্যালয়সমূহৰ শ্ৰেণীকোঠা, ডেস্ক-বেঞ্চ আদি নষ্ট হোৱাত সেইবোৰৰ মেৰামতিৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি বাতৰিকাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৮। তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) অসমৰ পৰ্যটন উদ্যোগ
(আৰম্ভণি—পৰ্যটক আকৰ্ষক স্থল—পৰ্যটনৰ সম্ভাৱনা—সামৰণি)

(খ) তোমাৰ প্ৰিয় গ্ৰন্থ
(আৰম্ভণি—গ্ৰন্থখনৰ পৰিচয়—ভাল লগাৰ কাৰণ—সামৰণি)

(গ) বিজ্ঞানৰ অৱদান
(আৰম্ভণি—বিজ্ঞানৰ উৎপত্তি আৰু ক্ৰমবিকাশ—বৈজ্ঞানিক আৱিষ্কাৰ আৰু উপকাৰিতা—সামৰণি)

১৯। 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমু টোকা লিখা। ৩×২=৬

২০। তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ সম্পৰ্কে চমুকৈ লিখা। ২×২=৪

## GROUP—B

( বিভাগ—খ )

( *মূল্যাংক* : ২৫ )

২১। তলৰ যিকোনো এটাৰ অতি চমু উত্তৰ লিখা : ১

(ক) ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি?

(খ) হেমচন্দ্ৰ গোস্বামীৰ প্ৰথম অসমীয়া ছনেটটোৰ নাম লিখা।

২২। উত্তৰ লিখা : ২×২=৪

(ক) কুৰুক্ষেত্ৰ ৰণৰ আৰম্ভণিতে কৃষ্ণ, অৰ্জুন, ভীম আৰু যুধিষ্ঠিৰে বজোৱা শংখকেইটাৰ নাম লিখা।

(খ) আৰ্য শিক্ষাৰ কলাবিদ্যা কিমানটি? প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আৰ্য শিক্ষাৰ কলাবিদ্যা শিকোৱা যিকোনো দুটা বিভাগৰ নাম লিখা।

২৩। উত্তৰ লিখা : ৩

(ক) "যুদ্ধত স্বজন বধে কিচো ফলক নেদেখু, বিজয়কো আকাঙ্খা নকৰু, ৰাজ্যক ইছা নাই, সুখক নবাঞ্ছো।" কথাষাৰ কোনে, কেতিয়া, কাৰ আগত কৈছিল, তোমাৰ নিজৰ ভাষাত লিখা।

*নাইবা*

(খ) আজি-কালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যৰ কথা বহলাই লিখা।

২৪। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই কি ৰূপ ধাৰণ কৰিছিল?

(খ) কোন চনত অম্বিকাগিৰী ৰায়চৌধুৰী অসম সাহিত্য সভাৰ সভাপতি হৈছিল?

২৫। "হ'ল এৰে তোৰ সময় হ'বৰ
জাতিৰ ঝাড়ুদাৰ যে ভাই।"

কবিতাফাকিত উল্লেখ কৰা 'জাতিৰ ঝাড়ুদাৰ' মানে কি, চমুকৈ লিখা। ২

২৬। তলত দিয়া প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) “গাততে পোততে পেটাৰি বান্ধন্তে
ধনত লাগিবে জুই।”

ইয়াত কোনে, কিয় ধনত জুই লাগিব বুলি কৈছে?

*নাইবা*

(খ) ‘ধৰ ঝাড়ু ধৰ ভাই’ কবিতাটিৰ মূলভাব লিখা।

২৭। (ক) তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

মই যোৱাকালি বৰপেটালৈ গৈছিলোঁ।

(খ) ‘উপ’ উপসৰ্গ ব্যৱহাৰ কৰি এটা শুদ্ধবাক্য লিখা। ১

(গ) খালী ঠাইত উপযুক্ত অনুসৰ্গ বহুওৱা : ১

তুমি বৰষুণতে গ’লা ______।

(ঘ) তলত দিয়া যিকোনো এটাৰ সমাৰ্থক শব্দ লিখা : ১

উপাসনা ; অনন্তকাল।

(ঙ) তলত দিয়া যিকোনো এটা শব্দৰ আধুনিক ৰূপ লিখা : ১

আসি ; পুহাইল।

২৮। তলত দিয়া যিকোনো দুটা ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২×২=৪

লেচাৰি ; কুসুমমালা ; ঝুমুৰা।

## GROUP—C

( বিভাগ—গ )

( মূল্যাংক : ২৫ )

1. Translate *any one* of the following in your mother language : 4

তলৰ যিকোনো এটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা :

(a) बालिका पाकशालायाः आगच्छति। हरिणः व्याघ्रात् बिभेति। बालकाः मत् संस्कृतं ज्ञास्यन्ति। देवदत्तः नगरात् आगमिष्यति।

(b) सौरजगति अष्ट ग्रहाः सन्ति। मम पञ्चदश पुस्तकानि अस्ति। राघवस्य अशीतिः मुद्राः अस्ति। प्रतिमासे त्रिंशत् दिनानि भवन्ति।

(c) पुरातनकाले गौतममुनेः तपोवने कश्चित् महातपा नाम मुनिः आसीत्। अथैकदा सः मुनिः आश्रमस्य समीपे काकमुखात् भ्रष्टमेकं मूषिकशावकं दृष्टवान्।

2. Answer *any one* of the following : 2

তলৰ যিকোনো এটাৰ উত্তৰ লিখা :

(a) Write a verse from the lesson 'सुभाषितानि' expressing the importance of विद्या.

'सुभाषितानि' পাঠৰ পৰা বিদ্যাৰ মহত্ত্ব প্ৰকাশ কৰা শ্লোক এফাকি লিখা।

(b) "...सर्वे मम स्वरूपाख्यानम् एवमेव वदन्ति।"

Who is the speaker of this line and to whom was it said? Why did the speaker say so?

কথাষাৰিৰ বক্তা কোন আৰু কাক কৈছিল ? বক্তাজনে কিয় এনেদৰে কৈছিল ?

3. Fill in the blanks in the following verse with appropriate words : 1×3=3

তলৰ শ্লোকটোৰ উপযুক্ত শব্দৰে খালী ঠাঁই পূৰণ কৰা :

_____ न खलु विघ्नभयेन _____
प्रारभ्य विघ्नविहता _____ मध्या।

*Or / নাইবা*

पृथिव्यां _____ रत्नानि जलमन्नं _____।
मूढैः पाषाणखण्डेषु _____ विधीयते॥

**4.** Answer the following questions in Sanskrit :

তলৰ প্ৰশ্নবোৰৰ উত্তৰ সংস্কৃতত লিখা :

(a) विद्यालये किं सम्मेलनं भविष्यति?

(b) सम्मेलने प्रदर्शिनी-आयोजनम् अस्ति वा ना?

(c) काः बिहुनृत्यं कुर्वन्ति? 1×3=3

*Or* / নাইবা

Write the Sanskrit synonyms of ***any three*** of the following words :

তলৰ শব্দবোৰৰ যিকোনো তিনিটাৰ সংস্কৃত প্ৰতিশব্দ লিখা :

गीतम् ; महती ; नूतनानि ; वस्तूनि।

**5.** Match the following words of Group–A with the words of Group–B : 1×3=3

তলত দিয়া 'ক' অংশৰ শব্দবোৰ 'খ' অংশৰ সৈতে মিলোৱা :

| Group—A / অংশ—ক | Group—B / অংশ—খ |
|---|---|
| प्रथमा | विभक्ति |
| षष्ठी | प्रदर्शिनी |
| महती | कन्या |

**6.** (a) Derive ***any two*** of the following words : 1½×2=3

তলৰ যিকোনো দুটা শব্দৰ ব্যুৎপত্তি লিখা :

(i) 'ज्ञास्यन्ति' in Q. No. **1** (a)

**1** নং (a) প্ৰশ্নত 'ज्ञास्यन्ति'

(ii) 'भवन्ति' in Q. No. **1** (b)

**1** নং (b) প্ৰশ্নত 'भवन्ति'

(iii) 'दृष्टवान्' in Q. No. **1** (c)

**1** নং (c) প্ৰশ্নত 'दृष्टवान्'

(iv) 'आगमिष्यति' in Q. No. **1** (a)

**1** নং (a) প্ৰশ্নত 'आगमिष्यति'

(b) Decline ***any two*** of the following : 1×2=2

তলৰ যিকোনো দুটাৰ শব্দৰূপ লিখা :

(i) 'पितृ' in 2nd case-ending dual

'पितृ' দ্বিতীয়া বিভক্তিৰ দ্বিবচনত

(ii) 'अस्मद्' in 7th case-ending plural

'अस्मद्' সপ্তমী বিভক্তিৰ বহুবচনত

(iii) 'गो' in 4th case-ending singular

'गो' চতুৰ্থী বিভক্তিৰ একবচনত

(iv) 'युष्मद्' in 3rd case-ending dual

'युष्मद्' তৃতীয়া বিভক্তিৰ দ্বিবচনত

(c) Conjugate ***any two*** of the following : 1×2=2

তলৰ যিকোনো দুটাৰ ধাতুৰূপ লিখা :

(i) √अद् + लट् मि

(ii) √दा + लङ् द् (परस्मैपद)

(iii) √नृत् + लृट् स्यामि

(iv) √हन् + विधिलिङ् यात्

(d) Change ***any three*** from noun to adjective from the following : 1×3=3

তলৰ যিকোনো তিনিটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰা :

निशा ; ऋषिः ; ग्राम ; अग्निः।

★★★